# অসম বিধান সভা

**মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা**

**বুধবাৰ, ৫ মাৰ্চ, ২০২৫**

**কৃষি, আৱকাৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, উদ্যান শস্য, অসম চুক্তি ৰূপায়ণ, তথ্য, জনসংযোগ, ছপা আৰু লেখন সামগ্ৰী, সামাজিক ন্যায় আৰু সৱলীকৰণ, জলসম্পদ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা, খনি আৰু খনিজাত দ্ৰব্য, বৰাক উপত্যকা উন্নয়ন।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয়ঃ* **মাদক দ্ৰব্য সেৱন**

শ্ৰীমতী নন্দিতা দাস ঃ

* ৮১। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত বৰ্তমান বিলাতী সুৰাৰ বিপনী আৰু বাৰ কিমান আছে? (জিলা ভিত্তিক তথ্য দাখিল কৰিব)

(খ) ৰাজ্যত বৰ্তমান দেশীয় সুৰাৰ দোকান আৰু মহল কিমান আছে? (জিলাভিত্তিক বিতং তথ্য দাখিল কৰিব)

(গ) ২০১৬ চনৰ পৰা বৰ্তমানলৈ সংগৃহীত আৱকাৰী ৰাজহৰ বৰ্ষভিত্তিক তথ্য দাখিল কৰিব। একেখিনি সময়ত কোন জিলাত কিমান ৰাজহ সংগ্ৰহ হৈছে, সেই তথ্যও দাখিল কৰিব।

(ঘ) ২০১৬ চনৰ পৰা এতিয়ালৈকে কিমানখন বিলাতী সুৰাৰ বিপনী, বাৰৰ অনুজ্ঞাপত্ৰ দিয়া হ'ল? (তাৰ জিলাভিত্তিক বিতং তথ্য দাখিল কৰিব)

(ঙ) সুৰাপানে দুৰ্ঘটনা বৃদ্ধিৰ লগতে আন বহু সামাজিক সমস্যাৰ সৃষ্টি কৰে, এই বিষয়ে বিভাগ অৱগত নে? মাদক দ্ৰব্য নিবাৰণৰ বাবে কি কি পদক্ষেপ লোৱা হৈছে, জনাব।

*বিষয়ঃ* **চুবুৰীয়া ৰাজ্যই কৰা মাটি বেদখল আৰু সীমা বিবাদ।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

* ৮২। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কোনখন চুবুৰীয়া ৰাজ্যই অসমৰ কিমান মাটি বেদখল কৰিছে, এতিয়ালৈ কিমান মাটি বেদখলমুক্ত কৰা হ'ল তাৰ বিতং তথ্য জনাব।

(খ) চুবুৰীয়া ৰাজ্যৰ সৈতে থকা সীমা বিবাদ সমাধানৰ বাবে কি কি পদক্ষেপ লোৱা হৈছে বিতংকৈ জনাব। এই লৈ গঠন হোৱা

কমিটি আৰু বৈঠকবোৰৰ বিষয়ে বিতংকৈ জনাব।

(গ) সীমা সমস্যা সমাধানৰ বাবে চুবুৰীয়া ৰাজ্যৰ সৈতে এতিয়ালৈ ক'ত কি নিষ্পত্তি কৰা হ'ল, কি কি চুক্তি কৰা হ'ল, অসমে কিমান মাটি পালে, কিমান মাটি হেৰুৱালে সেই বিষয়ে জনাব। চুক্তিৰ প্ৰতিলিপি দাখিল কৰিব।

(ঘ) অসমৰ সৈতে বিদেশী ৰাষ্ট্ৰৰ সীমাৰ পৰিমাণ কিমান ? সীমান্তৰ ক'ত ক'ত জল, স্থল বন্দৰ, Border Haat ৰ লগতে Immigration Check Post আছে আৰু সেই বোৰৰ জৰিয়তে আৰম্ভণিৰ পৰা এতিয়ালৈকে হোৱা বেহা-বেপাৰ, মানুহ অহা-যোৱা কৰাৰ বৰ্ষভিত্তিক বিতং তথ্য জনাব।

(ঙ) সীমান্ত এলেকা উন্নয়নৰ বাবে ২০১৬ চনৰ পৰা এতিয়ালৈকে কি কি পদক্ষেপ আৰু আঁচনি লোৱা হৈছে, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে লোৱা আঁচনি আৰু পুঁজি ব্যয়ৰ বিতং তথ্য (২০১৬-২০২৪) জনাব।

*বিষয় ঃ* **কাটাখাল নদীর ডান তীরে ভাঙ্গন প্রতিরোধক বাঁধ নির্মাণ।**

শ্রীজাকির হুসেন লস্কর ঃ

* ৮৩। মাননীয় জলসম্পদ বিভাগীয় মন্ত্রী মহোদয়ে অনুগ্রহ করে জানাবেন কি ঃ

(ক) কাটাখাল নদীর ডানতীরে লালামুখ বাগান থেকে বর্ণীব্রিজ বাগান পর্যন্ত প্রস্তাবিত নদী ভাঙ্গন প্রতিরোধক বাঁধ নির্মাণ কাজের Technical Sanction ইতিমধ্যে হয়ে গেছে। বর্তমানে প্রস্তাবিত এই প্রকল্প কি অবস্থানে আছে?

(খ) কাটাখাল নদীর ডানতীরে ছয়টি চা বাগান অঞ্চল যথাক্রমে লালছড়া, লালামুখ, গাগলাছড়া, নরসিংপুর, বন্ধুকমারা এবং বর্ণীব্রীজ বাগান এলাকার কয়েক হাজার হেক্টর জমি সহ কয়েক লক্ষ বাসিন্দাদের ঘরবাড়ি এবং আশপাশের জনসাধারণের ঘরবাড়ি কাটাখাল নদীর বন্যার জলে প্রভাবিত হয়। তাই লালামুখ বাগান থেকে বর্ণীব্রীজ বাগান পর্যন্ত প্রস্তাবিত এই নদী ভাঙ্গন প্রতিরোধক বাঁধ নির্মাণ কাজ বাস্তবায়ন করার জন্য সরকারের হাতে কি পরিকল্পনা আছে?

(গ) যেহেতু প্রস্তাবিত এই প্রকল্পটি ইতিমধ্যে Technical Sanction হয়ে গেছে তাই এই প্রকল্পটি বাস্তবায়ন কবে হবে? বিস্তারিত তথ্য জানাতে অনুরোধ করছি।

(ঘ) কাটাখাল নদীতে অবস্থিত তছলাখাল ও ওয়াংখাই লানকাই নামক নদী ভাঙ্গন সমস্যা স্থায়ীভাবে সমাধানের জন্য সরকারের হাতে কি কোন পরিকল্পনা আছে? বিস্তারিত তথ্য জানাতে অনুরাধ করছি।

*Subject :* **Assistance for Dibyanga and set up of Old Age Home at Mariani LAC.**

Shri Rupjyoti Kurmi :

* 84. Will the Minister of Social Justice & Empowerment Department be pleased to State :

(a) Will the Department organise camps through ALIMCO for the left out Dibyanga for varieties of Assistant under Mariani LAC ?

(b) If yes, By When ?

(c) Is the Department aware, that

there is no Govt. old age home at Jorhat ?

(d) If yes, will the Govt. plan to set up an old age home at Mariani ?

(e) If yes, by when ?

*Subject :* **Sub Divisional Agricultural Office (SDAO) at Alopati etc.**

Shri Sherman Ali Ahmed :

* 85. Will the Minister of Agriculture Department be pleased to state :

(a) As per unstarred QN 65 dated 07-02-2024, Rs. 25.00 Lakh were sanctioned for renovation of SDAO at Alopati and retendering was done for "Knowledge Centre" at Alopati. What is the present status ?

(b) How many officials are in SDAO at Alopati ? Please furnish details.

(c) Would the Govt. be pleased to make the SDAO at Alopati functional as the same is closed for 20 years ?

(d) When was the last meeting of Barpeta District Paddy Procurement Committee held ?

Why the meeting is not held regularly ?

(e) In view of large production, would the Govt. be pleased to establish Paddy and Mustard Procurement Centres at :

(i) Mandia, (ii) Baghbar, (iii) Moinbari, (iv) Nagarbera, (v) Simlitola Bazar, (vi) Dalguma Bazar

(f) To reduce transportation cost, would the Govt. be pleased to establish agriculture godowns at : (i) Baghbar, (ii) Moinbari, (iii) Tarakandi, (iv) Alopati SDAO complex, (v) Chaysimana Bazar, (vi) Uzirarchar

*বিষয় ঃ* **সাংবাদিকসকলৰ কৰ্ত্তব্যনিষ্ঠা আৰু চৰকাৰৰ দায়িত্ব।**

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ

* ৮৬। মাননীয় তথ্য, জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বৰ্তমান পৰ্য্যন্ত কিমানজন সাংবাদিকে আততায়ীৰ হাতত প্ৰাণ হেৰুৱালে, তাৰ তথ্য জনাবনে? (সাংবাদিক সকলৰ নাম আৰু ঘটনা সংঘটিত হোৱাৰ স্থান আৰু তাৰিখ দিব)

(খ) সাংবাদিক সকলৰ হত্যাৰ লগত জড়িত কিমানজন আততায়ীক গ্ৰেপ্তাৰ কৰি আইনৰ বিচাৰ পদ্ধতিৰ দ্বাৰা শাস্তি বিহা হ'ল আৰু কিমানজন সাংবাদিকৰ হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিব পৰা নহ'ল আৰু কিমানজনক চিনাক্ত কৰিব পৰা নহ'ল? (বিতং তথ্য দিব)

(গ) প্ৰতি বছৰে জ্যেষ্ঠ সাংবাদিকক পেঞ্চন দিয়াৰ ব্যৱস্থা আছে নেকি? যদি আছে, এই পেঞ্চন মাহেকীয়া ভিত্তিত হয়নে, যদি হয়, এই পেঞ্চনৰ পৰিমাণ কিমান?

(ঘ) গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে পৰিচিত সংবাদ মাধ্যমত কৰ্মৰত সাংবাদিকসকলে বিপদশংকুল পৰিস্থিতিতো কাম কৰিবলগা হয়, এই বাবে চৰকাৰে সাংবাদিক সকলৰ বাবে এক বিশেষ বীমা আঁচনি গ্ৰহণ কৰাৰ ক্ষেত্ৰত বিবেচনা কৰি তাক কাৰ্য্যকৰী কৰিবনে?

*বিষয়ঃ* **অন্ন সুৰক্ষা সম্পৰ্কত**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

* ৮৭। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন অনুসৰি বৰপেটা জিলাত এতিয়াও কিমানটা পৰিয়াল এই আঁচনিৰ অন্তৰ্ভূক্ত হোৱা নাই? এই বাদ পৰা উপযুক্ত হিতাধিকাৰীসকলক কেতিয়া এই আঁচনিত অন্তৰ্ভূক্ত কৰিব?

(খ) এই আঁচনিৰ হিতাধিকাৰীৰ পৰিয়ালৰ সকলো সদস্যৰ নাম অন্তৰ্ভূক্ত কৰাৰ বিপৰীতে, কেৱল দুজন বা তিনিজন সদস্যক হে ৰেচন কাৰ্ডত নাম অন্তৰ্ভূক্ত কৰা হৈছে, এই বিষয়ে বিভাগ অৱগত নে? যদি অৱগত, তেন্তে বাকী থকা সদস্যসকলৰ নাম ৰেচন কাৰ্ডত অন্তৰ্ভূক্ত কৰাৰ কাৰণে বিভাগে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কিমান দিনৰ ভিতৰত অন্তৰ্ভূক্ত কৰা হ'ব? বিতংকৈ জনাব।

(গ) বৰপেটা জিলাত এই আঁচনিত কিমান ভূৱা হিতাধিকাৰীৰ নাম অন্তৰ্ভূক্ত হৈ আছে? এই সম্পৰ্কত অসম চৰকাৰে কৰা তদন্তৰ প্ৰতিবেদনৰ তথ্য দিব।

*বিষয়ঃ* **কৃষি খণ্ডৰ শীতল-ঘৰ আৰু আন্তঃগাঁথনি উন্নয়ন সম্পৰ্কে।**

শ্ৰী মজিবুৰ ৰহমান ঃ

* ৮৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৫১ নং দলগাঁও বিধান সভাৰ অন্তৰ্গত নিজ খাৰুপেটীয়াত অসম চৰকাৰে নিৰ্মাণ কৰা শীত-তাপ নিয়ন্ত্ৰিত "শীতল-ঘৰ" (Cold Storage House) আজিলৈকে কৃষক বা স্থানীয় ব্যৱসায়ীসকলৰ কোনো কামত অহা নাই। কৃষি বিভাগ বা অসম চৰকাৰে উক্ত শীতল ঘৰটো কিহৰ কাৰণে কোনো নিবিদা সংগ্ৰহ নকৰি পৰিত্যক্ত অৱস্থাত পেলাই থৈছে?

(খ) উক্ত শীতল ঘৰটো কৃষকসকলৰ উপকাৰ হোৱাকৈ কেতিয়াৰ পৰা ব্যৱহাৰ কৰিব পৰাকৈ কাৰ্য্যক্ষম কৰি তুলিব?

(গ) এই ক্ষেত্ৰত কৃষি বিভাগ বা অসম চৰকাৰে কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

(ঘ) দৰং জিলাৰ অন্তৰ্গত ৬৮ নম্বৰ দলগাঁও সমষ্টিৰ পৰা শাক-পাচলি আৰু কৃষি সামগ্ৰী ৰপ্তানি কৰা হয়। এই খাটি খোৱা কৃষক সকলৰ সুবিধাৰ্থে আধুনিক প্ৰযুক্তিযুক্ত মেচিন যোগান ধৰিবলৈ চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি আৰু এই ক্ষেত্ৰত কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব?

*বিষয়ঃ* **সুলভ মূল্যৰ দোকানী সম্পৰ্কে**

শ্ৰীভৱেন্দ্ৰ নাথ ভড়ালী ঃ

* ৮৯। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সুলভ মূল্যৰ দোকানীসকলক E.P.S মেচিন চলোৱাৰ বাবদ প্ৰতি কুইণ্টলত কিবা পাৰিতোষিক দিয়ে নেকি?

(খ) সুলভ মূল্যৰ দোকানীসকলে প্ৰতি কুইণ্টল চাউল বিতৰণৰ বাবদ কিমান টকা পায়?

(গ) সুলভ মূল্যৰ দোকানীসকলক মাহেকীয়া কিবা পাৰিতোষিক দিয়ে নেকি?

*বিষয় ঃ* **ৰেচন কাৰ্ড প্ৰদানৰ সন্দৰ্ভত**

শ্ৰীসুৰেন ফুকন ঃ

* ৯০। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিত মুঠ কিমানখন সুলভ মূল্যৰ দোকান আছে? (বিতং ভাৱে জনাব)।

(খ) নতুন ৰেচন কাৰ্ড প্ৰদানৰ সমান্তৰালভাৱে ডিগবৈ সমষ্টিত সুলভ মূল্যৰ দোকানৰ সংখ্যা বৃদ্ধি কৰাৰ কিবা পৰিকল্পনা চৰকাৰে হাতত লৈছে নেকি? (বিতং ভাৱে জনাব)।

(গ) খাদ্য আৰু অসামৰিক যোগান বিভাগে ৰেচন কাৰ্ডৰ জৰিয়তে হিতাধিকাৰী সকলৈ চাউলৰ লগতে অন্যান্য নিত্য প্ৰয়োজনীয় সামগ্ৰী প্ৰদান কৰাৰ সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(ঘ) যদি কৰিছে, কি কি সামগ্ৰী ৰেচন কাৰ্ডৰ জৰিয়তে প্ৰদান কৰিব? (বিতং ভাবে জনাব)।

*বিষয় ঃ* **মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰত**

ডাঃ আচিফ মঃ নাজাৰ ঃ

* ৯১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ ফলত বালিদুংগা পাৰৰ ওচৰত প্ৰায় ১ কিলোমিটাৰ পৰ্য্যন্ত ক্ষতি হৈছে আৰু এই অংশত সুৰক্ষা ব্যৱস্থা গ্ৰহণ নকৰিলে ভূৰাগাঁও চহৰখনৰ ক্ষতি হোৱাৰ লগতে ADB প্ৰকল্পটো অসাৰ হ'ব গতিকে বালিদুংগা অঞ্চলত চৰকাৰে জৰুৰী পদক্ষেপ গ্ৰহণ কৰিব নে?

*বিষয় ঃ* **গৰাখহনীয়া আৰু প্ৰতিৰোধ ব্যৱস্থা**

হাফিজ বচিৰ আহমেদ ঃ

* ৯২। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

যোৱা ২১ ফেব্ৰুৱাৰী, ২০২৪ ইং আৰু যোৱা ২৮ আগষ্ট, ২০২৪ ইং তাৰিখে তৰাবিহীন প্ৰশ্ন নং যথাক্ৰমে ২৯৭ আৰু ১৩২ নং প্ৰশ্নৰ উত্তৰত জলসম্পদ বিভাগে বিলাসীপাৰা পশ্চিম বিধান সভা সমষ্টিৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ, টিপকাই আৰু গৌৰাং নদীৰ খহনীয়া প্ৰতিৰোধৰ বাবে ১০ খন আঁচনি প্ৰস্তুত কৰি ধুবুৰী জিলাৰ DDMA অনুমোদনৰ বাবে পঠিওৱা হোৱাৰ কথা উল্লেখ কৰা হৈছিল। উক্ত আঁচনি কেইখনৰ ভিতৰত এখন আঁচনি DDMA ৰ অনুমোদন লাভ কৰে। বৰ্তমানলৈ অৱশ্যে উক্ত আঁচনিখনে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা প্ৰশাসনীয় অনুমোদন লাভ কৰা নাই বুলি জনোৱা হৈছিল।

উক্ত আঁচনি কেইখনে অনুমোদন লাভ কৰিলেনে? যদি হৈছে, তেন্তে আঁচনি সমূহ কাৰ্য্যকৰী কৰা হৈছেনে? যদি হোৱা নাই, তেন্তে কিয়?

*বিষয়ঃ* **ৰাজহুৱা বিতৰণ ব্যৱস্থা সম্পৰ্কে**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

* ৯৩। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন জিলাত ৰাজহুৱা বিতৰণ ব্যৱস্থা (Public Distribution System) দ্ৰব্য সমূহ ক'ত ক'ত ৰখা হয়, জিলা ভিত্তিত তালিকা সহ জনাব। এই PDS ৰ দ্ৰব্যসমূহ নিজ নিজ জিলাত ৰখাৰ ব্যৱস্থা কৰিব পৰা যাব নেকি? যদি নাযায় কিয়?

(খ) ৰাজহুৱা বিতৰণ ব্যৱস্থা (Public Distribution System) ৰ দ্ৰব্য সমূহ বহন (Carriage) কৰাৰ কাৰণে কোন কোন জিলাত কোন কোন ব্যক্তি বা প্ৰতিষ্ঠানক দিয়া হৈছে? তালিকা সহ জনাব।

(গ) এই ৰাজহুৱা বিতৰণ ব্যৱস্থা (Public Distribution System) ৰ দ্ৰব্য সমূহ (Carriage) ৰ নিয়ম কি? তথ্য সহকাৰে জনাব।

*Subject :* **Fast-Tracking Organic Certification for Farmers and Exporters & Single-Window Registration for Agricultural Schemes.**

Shri Dipayan Chakraborty :

*94. Will the Minister of Agriculture Department be pleased to state :

(a) The three -year transition period for organic certification under PGS-India and NPOP poses challenges for farmers and exporters, slowing down market access and income opportunities.

(i) Whether the Government is considering measures to fast-track the three-year organic certification process under PGS-India and NPOP for genuine organic farmers ?

(ii) Is there any plan to introduce an interim certification model to facilitate exports and enhance Assam's presence in the global organic market ?

(b) Currently, farmers and Agro-entrepreneurs need to apply individually for various Government schemes across multiple portals and departments, which can lead to delays and complexity.

(i) Whether the Government is considering the establishment of a single-window registration system or an integrated digital platform to streamline access to all agricultural schemes, including KCC, PM-KISAN, NHM, and APEDA, in order to reduce bureaucratic hurdles and enhance efficiency ?

*বিষয় ঃ* **সুলভ মূল্যৰ খাদ্য সামগ্ৰী যোগান**

ড° অমিয় কুমাৰ ভূঞা ঃ

* ৯৫। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিহপুৰীয়া সমষ্টিত মুঠ কিমানখন চৰকাৰী সুলভ মূল্যৰ দোকান আছে? (তালিকা সদনত দাখিল কৰিব)।

(খ) ৰেচন কাৰ্ডৰ সংখ্যা বহুগুণে বৃদ্ধি হোৱাৰ ফলত সীমিত সংখ্যক সুলভ মূল্যৰ দোকানে সময়মতে খাদ্য-সামগ্ৰী যোগান ধৰাত বিলম্ব হয়। সেয়েহে নতুন সুলভ মূল্যৰ দোকানৰ হেতু অনুজ্ঞাপত্ৰ দিয়াৰ ব্যৱস্থা মুকলি কৰি ৰখা আছে নেকি? যদি আছে, আৱশ্যক অনুসৰি নতুন দোকানৰ অনুজ্ঞাপত্ৰ পাব পাৰে নে? (সদনত জনাব)।

(গ) সুলভ মূল্যৰ দোকানত কেতিয়াৰ পৰা ৰেহাই মূল্যত চেনি, মিঠাতেল, দাইল আৰু নিমখ যোগান ধৰিবলৈ ব্যৱস্থা কৰা হৈছে? (সদনত জনাব)।

*Subject :* **DMF Trust Fund and its utilization.**

Shri Abdur Rashid Mandal :

*96. Will the Minister of Mines and Minerals Department be pleased to state :

(a) Please furnish year wise, district wise the following informations in details from 2017/18 till date-

(i) Amount of District Mineral Foundation Trust Fund received from Lessees, grant, contribution or other capital assistances, interest accrued etc.

(ii) Amount of District Mineral Foundation Trust Fund transferred to State Mineral Foundation Trust Fund.

(b) Please furnish year wise list of works done with sanctioned amount and amount utilized for each works with the State Mineral Foundation Trust Fund for the period of 2017/18 till date.

(c) Please provide copies of Annual Audit Reports of Accounts of all District Mineral Foundation Trust Fund and State Mineral Foundation Trust Fund for the period of 2017/18 till date.

*বিষয় ঃ* **সীমান্ত সুৰক্ষা সম্পৰ্কে**

শ্ৰীৰূপছিং টেৰণ ঃ

* ৯৭। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

পশ্চিম কাৰ্বি আংলং (West Karbi Anglong) আৰু মেঘালয়ৰ সীমা-সমস্যা সুৰক্ষা (Protection) ৰ ক্ষেত্ৰত চৰকাৰৰ বৰ্তমান স্থিতি কি? চৰকাৰে খান্দুলি আৰু ওমলাফেত থানা স্থাপনৰ ক্ষেত্ৰত কি পদক্ষেপ লৈছে?

*বিষয় ঃ* **মেশিনাৰি সৰঞ্জাম ব্যৱস্থা**

শ্ৰীনিজাম উদ্দিন চৌধুৰী ঃ

* ৯৮। মাননীয় কৃষি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করে জানাবেন কী ঃ

(ক) আমার আলগাপুর বিধান সভা সমষ্টিতে কৃষি বিভাগ গত তিন বছরে ইঞ্জিনিয়ারিং cell এ কি কি মেশিনারী সরঞ্জাম

প্ৰদান করা হয়েছে, উহার বিস্তারিত বিবরণ দিবেন।

(খ) কিসের ভিত্তিতে মেশিনারি সরঞ্জাম প্ৰদান করা হয়?

*Subject :* **Paddy procurement issues in the state particularly in Karbi Anglong & West Karbi Anglong Districts of Assam.**

Shri Darsing Ronghang :

*99. Will the Minister of Food, Public Distribution & Consumer Affairs Department be pleased to state :

(a) Kindly inform as to what steps have been taken so far to implement Paddy procurement policy of the state pertaining to Karbi Anglong and West Karbi Anglong, Kindly furnish the details of the steps taken since 2021 (year-wise) regarding the agriculture produces of Paddy and Wheat. If, no steps have been taken kindly state reasons thereof.

(b) That, the Paddy procurement policy is a set of guidelines that govern the process of purchasing paddy from farmers, the policy includes the Minimum Support Price for Paddy. If so, kindly furnish details of Minimum Support Price since 2021 and if no, kindly furnish the reason thereof.

(c) It is reliably learnt and reportedly come to our notice that paddy procurement guidelines are not actively followed in respect of the two sixth schedule hill Districts of Assam. If so, please provide the details thereof. If no, please furnish the reasons thereof.

*বিষয় ঃ* **আঁচনিৰ খতিয়ান**

শ্ৰীছামছুল হুদা ঃ

* ১০০। মাননীয় সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগৰ পৰা কি কি আঁচনি আৰু কিমান কিমান টকাৰ আঁচনি ৰূপায়ণ কৰা হ'ল?

(খ) যোৱা দুটা বিত্তীয় বৰ্ষত ধুবুৰী জিলাত এই বিভাগৰ পৰা কি কি আঁচনি ৰূপায়ণ কৰা হ'ল? বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(গ) দিব্যাংগ, জ্যেষ্ঠ নাগৰিক, মানসিক বিকাৰগ্ৰস্ত, ড্ৰাগছ আসক্ত ইত্যাদি ব্যক্তিৰ কাৰণে কি কি আঁচনি ৰূপায়ণ কৰিছিল? জিলাভিত্তিক তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

---

A.G.P. (Mini) LAQ - 16 /2025-550-01-03-2025